# NSD NEWS UNIT

ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 03-10-2025

**Time :** 1340 Hrs.

## ***Assamese Midday Bulletin***

## ***Headlines***

000000

১। ভাৰতে সামাজিক সুৰক্ষাৰ ক্ষেত্ৰত অসাধাৰণ সাফল্যৰ বাবে ২০২৫ চনৰ সন্মানীয় আন্তঃৰাষ্ট্ৰীয় সামাজিক সুৰক্ষা সংস্থা বঁটা লাভ কৰিছে।

২। ছিংগাপুৰ আৰক্ষীয়ে জনপ্ৰিয় অসমীয়া শিল্পী জুবিন গাৰ্গৰ মৰণোত্তৰ পৰীক্ষাৰ প্ৰতিবেদন ছিংগাপুৰস্থিত ভাৰতীয় উচ্চায়ুক্তক প্ৰেৰণ কৰিছে।

৩। বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰে আজি জাৰ্মান ৰাষ্ট্ৰীয় একতা দিৱস উপলক্ষে জাৰ্মানীৰ জনসাধাৰণলৈ শুভেচ্ছা জ্ঞাপন কৰিছে।

৪। মাইক্ৰ'ছফ্টৰ সহপ্ৰতিষ্ঠাপক বিল গেট্ছে ২০৪৭ চনত বিকশিত ভাৰত যাত্ৰাত ভাৰতৰ সহযোগী হ'বলৈ আশা প্ৰকাশ কৰিছে।

*আৰু*

৫। ভাৰতে ৱেষ্ট ইণ্ডিজৰ বিৰুদ্ধে অনুষ্ঠিত টেষ্ট ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেলৰ আজি দ্বিতীয় দিনা ভাৰতে চাৰিটা উইকেট হেৰুৱাই ৩০০ ৰাণ কৰি খেলি আছে।

০০০০০০

ভাৰতে সামাজিক সুৰক্ষাৰ ক্ষেত্ৰত অসাধাৰণ সাফল্যৰ বাবে ২০২৫ চনৰ সন্মানীয় আন্তঃৰাষ্ট্ৰীয় সামাজিক সুৰক্ষা সংস্থা বঁটা লাভ কৰিছে। কেন্দ্ৰীয় শ্ৰম আৰু নিয়োগ মন্ত্ৰী মনসুখ মণ্ডাভিয়াই আজি মালয়েছিয়াৰ কোৱালালামপুৰত অনুষ্ঠিত আই এছ এছ এ বিশ্ব সামাজিক সুৰক্ষা মঞ্চত এই বঁটা গ্ৰহণ কৰে। বঁটা গ্ৰহণ কৰি দিয়া ভাষণত শ্ৰীমাণ্ডভিয়াই কয় যে এই বঁটা হৈছে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দেশৰ প্ৰতিগৰাকী নাগৰিকৰ সামাজিক কল্যাণ নিশ্চিত কৰিবলৈ দিয়া প্ৰতিশ্ৰুতিৰ সাক্ষী। মন্ত্ৰীগৰাকীয়ে সামাজিক সুৰক্ষাৰ সুবিধাসমূহ প্ৰতিটো অঞ্চললৈ প্ৰেৰণ কৰাটো নিশ্চিত কৰা, দেশৰ শক্তিশালী ডিজিটেল ৰাজহুৱা আন্তঃগাঁথনিৰ ওপৰত আলোকপাত কৰে। ই-শ্ৰম পোৰ্টেলৰ বিষয়ে উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে কয় যে দেশত বৰ্তমান সামাজিক সুৰক্ষাৰ ক্ষেত্ৰত সৰ্বাধিক বৃদ্ধি দেখা গৈছে। ২০১৫ চনৰ ১৯ শতাংশৰ পৰা ২০২৫ চনত ৬৪ দশমিক ৩ শতাংশলৈ বৃদ্ধি পাই এই ব্যৱস্থাই ৯৪ কোটিতকৈও অধিক লোকক সামৰি লৈছে।

শ্ৰম আৰু নিয়োগ মন্ত্ৰালয়ে প্ৰকাশ কৰে যে আই এছ এছ এ-য়ে চৰকাৰৰ পৰিৱৰ্তনশীল ই-শ্ৰম পোৰ্টেলৰ পদক্ষেপক প্ৰশংসা কৰিছে, য'ত ৪ বছৰত ৩০ কোটিৰো অধিক অসংগঠিত খণ্ডৰ শ্ৰমিকে পঞ্জীয়ন কৰিছে। উল্লেখযোগ্য যে এই বঁটাৰ জৰিয়তে দেশৰ ব্যতিক্ৰমী অগ্ৰগতিক স্বীকৃতি দিয়া হৈছে।

০০০০০০

ছিংগাপুৰ আৰক্ষীয়ে জনপ্ৰিয় অসমীয়া শিল্পী জুবিন গাৰ্গৰ মৰণোত্তৰ পৰীক্ষাৰ প্ৰতিবেদন ছিংগাপুৰস্থিত ভাৰতীয় উচ্চায়ুক্তক প্ৰেৰণ কৰিছে। আৰক্ষীয়ে জাৰি কৰা এটা বিবৃতি অনুসৰি মৰণোত্তৰ

পৰীক্ষাৰ প্ৰতিবেদনৰ প্ৰতিলিপিৰ সৈতে তেওঁৰ মৃত্যুৰ প্ৰাৰম্ভিক তথ্যও ভাৰতীয় কৰ্তৃপক্ষক গতাই দিয়া হৈছে। সম্প্ৰতি এই বিষয়ত আৰক্ষীৰ তদন্ত চলি থকাৰ পৰিপ্ৰেক্ষিতত জনসাধাৰণক বিষয়টোৰ সৈতে জড়িত কোনো ভিডিঅ' বা ছবি শ্বেয়াৰ কৰাৰ পৰা বিৰত থাকিবলৈ পৰামৰ্শ দিয়া হৈছে।

উল্লেখযোগ্য যে ছিংগাপুৰত জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ ঘটনাৰ সন্দৰ্ভত  এছ আই টিয়ে কালি নিশা জুবিন গাৰ্গৰ সহ কণ্ঠশিল্পী অমৃতপ্ৰভা মহন্ত আৰু বাদ্যযন্ত্ৰী শেখৰ জ্যোতি গোস্বামীক গ্ৰেপ্তাৰ কৰে। ইয়াৰ পূৰ্বেও এছ আই টিয়ে কেইবাদিনো দুয়োকো জেৰা কৰিছিল। দুয়োকে গ্ৰেপ্তাৰ কৰাৰ পাছতে আৰক্ষীয়ে পুনৰ জেৰা কৰিব বুলি জানিব পৰা গৈছে।

ইফালে, জুবিন গাৰ্গৰ মৃত্যুৰ সন্দৰ্ভত ৰুজু হোৱা গোচৰত ভাৰতীয় ন্যায় সংহিতাৰ হত্যাকাণ্ড সম্পৰ্কীয় ১০৩ ধাৰা সংযোজন কৰা হৈছে। বিশেষ তদন্তকাৰী গোটে পূৰ্বে চি আই ডিত ৰুজু হোৱা ১৮/২০২৫ নম্বৰ গোচৰটোত ভাৰতীয় ন্যায় সংহিতাৰ ৬১(২), ১০৫ আৰু ১০৬ ধাৰা সংযোজন কৰিছিল। দুয়োজন প্ৰধান অভিযুক্ত শ্যামকানু মহন্ত আৰু সিদ্ধাৰ্থ শৰ্মাক গ্ৰেপ্তাৰ কৰাৰ পাছত বিশেষ তদন্তকাৰী গোটে ১০৩ ধাৰা সংযোজন কৰে। আইনজ্ঞৰ মতে এই ধাৰাত যিকোনো অভিযুক্ত লোক দোষী সাব্যস্ত হ'লে যাৱজ্জীৱন কাৰাদণ্ড অথবা মৃত্যুদণ্ডৰে দণ্ডিত হ'ব পাৰে। ইপিনে এছ আই টিয়ে শ্যামকানু মহন্ত আৰু সিদ্ধাৰ্থ শৰ্মাক জেৰা অব্যাহত ৰাখিছে।

ইপিনে, ছিংগাপুৰত জুবিন গাৰ্গৰ সৈতে সাগৰলৈ যোৱা ছিংগাপুৰৰ অসম এছোচিয়েছনৰ ১১জন সদস্যকো অহা ৬ অক্টোবৰত হাজিৰ হ'বলৈ তদন্তকাৰী গোটে জাননী জাৰি কৰা বুলি জানিব পৰা গৈছে।

০০০০০০

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰে আজি জাৰ্মান ৰাষ্ট্ৰীয় একতা দিৱস উপলক্ষে জাৰ্মানীৰ জনসাধাৰণলৈ শুভেচ্ছা জ্ঞাপন কৰিছে। সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত ড০ জয়শংকৰে দুয়োখন ৰাষ্ট্ৰই কৌশলগত অংশীদাৰিত্বৰ ২৫ বছৰ পূৰ্ণ হোৱা উপলক্ষে দ্বিপাক্ষিক সম্পৰ্কৰ গতিৰ ওপৰত আলোকপাত কৰে।

০০০০০০

মাইক্ৰ'ছফ্টৰ সহপ্ৰতিষ্ঠাপক বিল গেট্ছে ভাৰতক উদ্ভাৱনৰ ক্ষেত্ৰত বিশ্ব নেতা বুলি প্ৰশংসা কৰিছে আৰু সমগ্ৰ গোলকীয় দক্ষিণত ভাৰতে লক্ষ লক্ষ লোকক লাভৱান কৰিছে।

ছিয়াটলত গেট্ছ ফাউণ্ডেচনৰ সহযোগত ভাৰতীয় দূতাবাসৰ উদ্যোগত অনুষ্ঠিত এটা অনুষ্ঠানত অংশগ্ৰহণ কৰি গেটছে ২০৪৭ চনত বিকশিত ভাৰত যাত্ৰাত ভাৰতৰ সহযোগী হ'বলৈ আশা প্ৰকাশ কৰিছে। এই অনুষ্ঠানত ৱাশ্বিংটনৰ জ্যেষ্ঠ নেতাসকলৰ লগতে ছিয়াটল চৰকাৰৰ জ্যেষ্ঠ বিষয়াসকলেও অংশগ্ৰহণ কৰে। বিল গেটছ ফাউণ্ডেচনৰ সাহায্যত জাতিৰ পিতা মহাত্মা গান্ধীৰ ১৫৬ সংখ্যক জয়ন্তী উপলক্ষে অনুষ্ঠিত এই অনুষ্ঠানত ভাৰতীয় সংস্কৃতি, কলা আৰু ৰন্ধন শিল্প প্ৰদৰ্শন কৰা হয়।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আকাশবাণীৰ মাহেকীয়া অনুষ্ঠান মন কী বাতে আজি ১১ বছৰ সম্পূৰ্ণ কৰিলে। ২০১৪ চনৰ ৩ অক্টোবৰৰ বিজয়া দশমীৰ দিনটোতে মন কী বাতৰ প্ৰথমটো সংস্কৰণ প্ৰচাৰ হৈছিল। শেহতীয়াকৈ প্ৰধানমন্ত্ৰী মোদীয়ে মন কী বাতৰ ১২৬ সংখ্যক সংস্কৰণত দেশবাসীৰ আগত নিজৰ মনৰ ভাৱ ব্যক্তি কৰিছে।

মন কী বাত কেৱল মাত্ৰ আকাশবাণীৰ অনুষ্ঠানেই নহয়, বৰং ই সামাজিক আৰু সাংস্কৃতিক পৰিৱৰ্তনৰ এক প্ৰতীক, যিয়ে দেশৰ প্ৰতিটো চুক-কোণকে চুই গৈছে। এই অনুষ্ঠানৰ জৰিয়তে চৰকাৰ আৰু নাগৰিকৰ মাজত এটা পোনপটীয়া সম্পৰ্ক স্থাপন কৰিবলৈ প্ৰয়াস কৰা হৈছে, যাৰ জৰিয়তে সামাজিক পৰিৱৰ্তন আৰু ৰাষ্ট্ৰীয় একতা শক্তিশালী কৰাৰ বাবে উৎসাহ যোগাব পাৰি। মন কী বাত কেৱল মাত্ৰ ৰূপান্তৰিত নীতিক জন আন্দোলনলৈ পৰিৱৰ্তন কৰাই নহয়, বৰং এই অনুষ্ঠানে ৰাষ্ট্ৰৰ প্ৰতিটো অংশলৈ এজন নেতাৰ কণ্ঠক আগুৱাই নিছে।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সমাজৰ সকলো শ্ৰেণীৰ নাগৰিকৰ সুবিধাৰ অৰ্থে যোৱা ২২ ছেপ্তেম্বৰত জি এছ্ টি সঞ্চয় উৎসৱৰ ঘোষণা কৰে। পৰৱৰ্তী প্ৰজন্মৰ জি এছ্ টি সংস্কাৰে দেশৰ পৰোক্ষ কৰ ব্যৱস্থা সৰল কৰি তুলিছে। এই সংস্কাৰে বিভিন্ন সামগ্ৰী আৰু সেৱাৰ ক্ষেত্ৰত প্ৰদান কৰিবলগীয়া কৰৰ হাৰ হ্ৰাস কৰি জনসাধাৰণক সকাহ প্ৰদান কৰিছে। জি এছ্ টি সংস্কাৰৰ ফলত দুচকীয়া বাহন আৰু চাৰিচকীয়া সৰু বাহনৰ ক্ষেত্ৰত কৰ হ্ৰাস পাইছে। দুচকীয়া বাহনৰ ক্ষেত্ৰত জি এছ্ টি পূৰ্বৰ ২৮ শতাংশৰ পৰা ১৮ শতাংশলৈ হ্ৰাস পাইছে। ইয়াৰ ফলত মধ্যবিত্ত শ্ৰেণীৰ পৰিয়ালসমূহে যথেষ্ট সকাহ লাভ কৰিব বুলি আশা কৰা হৈছে।

০০০০০০

কেন্দ্ৰীয় গ্ৰাহক সুৰক্ষা প্ৰাধিকাৰীয়ে দিল্লী এন চি আৰত অৱস্থিত এটা ব্যক্তিগত কোচিং প্ৰতিষ্ঠানৰ বিৰুদ্ধে ৫ লাখ টকাৰ জৰিমনা বিহিছে। এই প্ৰতিষ্ঠানটোৱে ২০২২ চনৰ কেন্দ্ৰীয় অসামৰিক পৰীক্ষাৰ ফলাফল সন্দৰ্ভত মিছা বিজ্ঞাপন প্ৰকাশ কৰি জনসাধাৰণক বিপথে পৰিচালিত কৰিছিল। কোচিং প্ৰতিষ্ঠানটোৱে ২০২২ চনৰ কেন্দ্ৰীয় অসামৰিক প্ৰতিযোগিতাত প্ৰতিষ্ঠানটোৰ পৰা ২১৬গৰাকীতকৈ অধিক প্ৰাৰ্থী নিৰ্বাচিত হোৱা বুলি ভুৱা বিজ্ঞাপন দিছিল। লগতে এই প্ৰাৰ্থীসকলৰ নাম আৰু আলোকচিত্ৰও বিজ্ঞাপনটোত প্ৰকাশ কৰিছিল।

কেন্দ্ৰীয় গ্ৰাহক সুৰক্ষা প্ৰাধিকাৰীয়ে অনুসন্ধান কালত প্ৰতিষ্ঠানটোত মাত্ৰ ৭৫ শতাংশ প্ৰশিক্ষাৰ্থীয়েহে নামভৰ্তি কৰাৰ তথ্য লাভ কৰিছিল। এই একেটা অভিযোগতে ইয়াৰ পূৰ্বেও কেন্দ্ৰীয় গ্ৰাহক সুৰক্ষা প্ৰাধিকাৰীয়ে এই প্ৰতিষ্ঠানটোৰ ক্ষেত্ৰত জৰিমনা বিহিছিল। উল্লেখযোগ্য যে এই একেটা প্ৰতিষ্ঠানে ২০২১ চনৰ কেন্দ্ৰীয় অসামৰিক পৰীক্ষাত প্ৰতিষ্ঠানটোৰ পৰা ১৫০গৰাকীতকৈও অধিক প্ৰশিক্ষাৰ্থীয়ে নিৰ্বাচিত হৈছিল বুলি বিগত বৰ্ষৰ ছেপ্তেম্বৰত ভুৱা বিজ্ঞাপন প্ৰকাশ কৰিছিল।

০০০০০০

জম্মু-কাশ্মীৰত কাইলৈ বিয়লি ভাগৰ পৰা তিনি দিনলৈ মুষলধাৰ বৰষুণ হোৱাৰ সম্ভাৱনা আছে। এই সময়ছোৱাত অঞ্চলটোৰ উচ্চভাগত বছৰটোৰ প্ৰথমবাৰলৈ বৰফ পৰাৰ সম্ভাৱনা আছে। ভাৰতীয় বতৰ বিজ্ঞান বিভাগে বতৰৰ আগলি বতৰা প্ৰকাশ কৰি জম্মু-কাশ্মীৰত কাইলৈৰ পৰা শক্তিশালী পশ্চিমাঘাটৰ প্ৰভাৱ পৰাৰ সম্ভাৱনা ব্যক্ত কৰিছে। বতৰ বিজ্ঞান বিভাগে এই সময়ছোৱাত অঞ্চলটোত পাতলীয়াৰ পৰা মজলীয়া ধৰণৰ বৰষুণ আৰু বৰফ পৰাৰ সম্ভাৱনা প্ৰকাশ কৰিছে। বিভাগে প্ৰতিকূল বতৰৰ ফলত যাতায়ত ব্যৱস্থা বিশেষকৈ জম্মু-শ্ৰীনগৰ আৰু শ্ৰীনগৰ-লেহ ঘাইপথছোৱা প্ৰভাৱিত হোৱাৰ আশংকা প্ৰকাশ কৰিছে। বিভাগে সম্ভাব্য প্ৰতিকূল বতৰৰ প্ৰতি লক্ষ্য ৰাখি অহা ৫ৰ পৰা ৭ অক্টোবৰলৈ সকলো ধৰণৰ কৃষি কাৰ্য বন্ধ ৰাখিবলৈ কৃষকসকলৰ প্ৰতি আহ্বান জনাইছে।

০০০০০০

ভাৰতে ৱেষ্ট ইণ্ডিজৰ বিৰুদ্ধে আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত অনুষ্ঠিত টেষ্ট ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেলৰ আজি দ্বিতীয় দিনা দুটা উইকেটৰ বিনিময়ত কালি সংগ্ৰহ কৰা ১২১ ৰাণৰ পৰা প্ৰথম ইনিংছৰ খেল পুনৰ আৰম্ভ কৰিছে। বাতৰি যুগুতোৱাৰ পৰলৈকে ভাৰতে চাৰিটা উইকেট হেৰুৱাই ৩০০ ৰাণ কৰি খেলি আছে। দলটোৰ হৈ কে এল ৰাহুলে আজি শতক অৰ্জন কৰাৰ লগতে অধিনায়ক শুভমন গীলে অৰ্ধশতক অৰ্জন কৰি আউট হয়। উল্লেখযোগ্য যে কে এল ৰাহুলৰ এয়া হৈছে তেওঁৰ কেৰিয়াৰৰ একাদশ সংখ্যক শতক। বৰ্তমান ধ্ৰুৱ জুৰেলে ৬০ আৰু ৰবীন্দ্ৰ জাদেজাই ৩৩ ৰাণ কৰি খেলি আছে

০০০০০০

**সমাপ্ত**